মঙলদৈ কলেজ সাহিত্য চ'ৰা

স্থাপিত : ১৯...

BA. MAJOR - 5th Sem. D.B

কবি বিদ্যাপতিৰ জন্ম পৰিচয় :-

কবি বিদ্যাপতি মিথিলাৰ কবি। তেওঁৰ বিহাৰ ৰাজ্যৰ দ্বাৰভাঙা জিলাৰ বিচপী নামৰ গাওঁত জন্ম হৈছিল। তেওঁৰ জন্ম তিথি সম্পৰ্কে পণ্ডিত সকলৰ মাজত বেলেগ বেলেগ মত আছে। তেওঁৰ পিতাক গণপতি ঠাকুৰ কাশ্যপ গোত্ৰৰ মৈথিল ব্ৰাহ্মণ আছিল আৰু ৰজা গণেশ্বৰ সিংহৰ ৰাজমন্ত্ৰী আছিল। সংস্কৃতৰ বিদগ্ধ পণ্ডিত পিতৃ গণপতি ঠাকুৰৰ তত্ত্বাৱধানত বিদ্যাপতিৰ শিক্ষা সম্পন্ন হৈছিল।

কবি বিদ্যাপতিৰ জীৱন মিথিলাৰ ৰাজবংশৰ লগত অংগাঙ্গীভাৱে জড়িত। তেওঁৰ জীৱনৰ অধিকাংশ সময় ৰাজ আশ্ৰয়ত অতিবাহিত হয়। ৰজা কীৰ্তিসিংহৰ লগত কবি বিদ্যাপতিৰ ঘনিষ্ঠ সম্বন্ধ আছিল। সেইজনা ৰজাই বিদ্যাপতিক ৰাজ পণ্ডিতৰ গৰিমা প্ৰদান কৰিছিল। কীৰ্তি সিংহৰ যশ, গুণ, বৰ্ণনা কবি বিদ্যাপতিয়ে "কীৰ্তিলতা" নামৰ কাব্য ৰচনা কৰিছিল। কীৰ্তি সিংহৰ মৃত্যুৰ পিছত তেওঁৰ খুৰাক দেৱসিংহ মিথিলাৰ ৰজা হয়। সেইজন ৰজাগৰাকীয়ে বিদ্যাপতিক ৰাজকবিৰ সন্মান প্ৰদান কৰে। দেৱসিংহৰ মৃত্যুৰ পিছত তেওঁৰ ৰৰপুত্ৰ শিৱসিংহ ৰজা হয়। শিৱসিংহ আৰু তেওঁৰ পত্নী লখীমা দেৱী সংগীত প্ৰেমী আছিল। দুয়ো -জনৰে প্ৰতি বিদ্যাপতিৰ বৰ অনুৰাগ আছিল। আৰু বিদ্যাপতিয়ে তেওঁৰ সৰহ সংখ্যক পদাৱলী দুয়োৰে প্ৰতি উৎসৰ্গিত কৰিছিল। বিদ্যাপতিৰ গুণত মুগ্ধ হৈ ৰজা শিৱসিংহই তেওঁক "অভিনৱ জয়দেৱ" উপাধি প্ৰদান কৰি কবিৰ জন্মস্থান বিচপী গাওঁ উপহাৰ স্বৰূপে দিছিল।

বিদ্যাপতিয়ে প্ৰায় ১৪ খন পুথি ৰচনা কৰিছিল। সেইবোৰৰ ভিতৰত "ভূ-পৰিক্ৰমা, পুৰুষ-পৰীক্ষা, কীৰ্তি লতা, কীৰ্তি পতাকা, পদাৱলী ইত্যাদি।

মূলত ব্ৰজবুলি পদাৱলীৰ স্বৰ্ণিত কবি বিদ্যাপতিৰ পদাৱলী অনন্য। তেওঁ এগৰাকী— ~~এজন~~ প্ৰসিদ্ধ ৰসসিদ্ধ কবি।

## কবি বিদ্যাপতিৰ বিৰহ বিষয়ক কবিতাঃ

কবি বিদ্যাপতি আদিম যুগত প্ৰেম আৰু সৌন্দৰ্য্যৰ কবি। সেয়েহে তেওঁৰ পদাৱলীও আদিম প্ৰেম গীতৰ অনন্যৰূপ। কৃষ্ণ প্ৰেম ৰসেৰে ৰসাপ্লুত বিদ্যাপতিৰ গীত বা পদাৱলীত কৃষ্ণৰ বিভিন্ন প্ৰসংগৰ বিষয়ে উপস্থাপন হৈছিল। কবি বিদ্যাপতিৰ গীতত প্ৰেম ৰসৰ বোৰতী স্তুতি প্ৰধা, উপজীব্য। আনহাতে তেওঁৰ গীতত বিৰহৰ চিত্ৰত সমুজ্জল হৈ আছে। বিদ্যা-পতিৰ এনেবোৰ গীতক বিৰহ বিষয়ক গীত বা বিৰহ গীত বুলি আখ্যা দিয়া হৈছে। এই গীত বোৰত কবিয়ে বিৰহৰ বিভিন্ন বৰ্ণনা আৰু চিত্ৰ দাঙি ধৰিছে।

বিদ্যাপতিৰ পদাৱলীত ৰাধা আৰু কৃষ্ণৰ প্ৰেমৰ মাজেৰে মধুৰ ৰসৰ সৃষ্টি হৈছিল। তেওঁৰ বিৰহ বিষয়ক গীত সমূহৰ বিষয়বস্তুৰ ভিতৰত কৃষ্ণ বিৰহৰ চিত্ৰ অতি সুন্দৰকৈ অংকিত হৈছে। বিদ্যাপতিৰ পদাৱলীত ৰাধা আৰু কৃষ্ণৰ প্ৰেমৰ মাজেৰে মধুৰ ৰসৰ যি মন্দাকিনী প্ৰবাহিত হৈছে সেয়ে তেওঁৰ কাব্যধাৰাক অতি মনোগ্ৰাহী কৰি তুলিছে। মহাকবি জয়দেৱৰ প্ৰায় তিনিশতক পিছত বিদ্যাপতিয়ে পুনৰ ৰাধা কৃষ্ণৰ অপূৰ্ব প্ৰেমলীলাক অতি মোহনীয় শব্দ ৰূপ ৰসৰ জালত নিবদ্ধ কৰি চিৰদিনৰ কাৰণে অমৰ কাব্য সাহিত্যৰ সৃষ্টি কৰি থৈ গৈছে। তেওঁৰ বিৰহ বিষয়ক গীতত তেওঁৰ কাব্যৰ সৌন্দৰ্য্য সাধনাৰ স্ফূৰ্তিময়ী ৰূপ প্ৰেম ৰাধা তিলতিলকৈ নিজৰ প্ৰাণৰ সৰ্বস্ব সৌন্দৰ্য ঢালি নিৰ্মাণ কৰা অপৰূপ চৰিত্ৰ। কবিয়ে তেওঁৰ বিৰহ বিষয়ক গীতত নায়িকা ৰাধাক আৰু নায়ক কৃষ্ণক লৌকিক চৰিত্ৰ হিচাপে অংকন কৰি নায়িকা ৰাধাৰ ~~বিৰহৰ~~ বিৰহৰ চিত্ৰ অনুপম কৰি তুলিছে। কবিৰ নায়িকা ৰাধা যৌৱনৰ দুৱাৰদলিত ভৰি দিয়া কোঁৱাৰী চঞ্চলা আৰু প্ৰেম

বিৰহিণী নায়িকা। কৃষ্ণ প্ৰেমত নিমজ্জিতা আকুল হৃদয়া ৰাধাই সকলো সময়তে কৃষ্ণক ওচৰত পাবলৈ বিচাৰে আৰু তেৰ পৰা বঞ্চিত হ'লেই ৰাধাৰ প্ৰাণে হাহাকাৰ কৰি উঠে। কৃষ্ণ প্ৰেমত ৰাধা বলিয়া হৈ পৰে। অনবৰত মনৰ দাপোনত কৃষ্ণৰ অপৰূপ ছবিয়ে ৰাধাক বিভোৰ কৰি তোলে। প্ৰিয়জনক ওচৰত নাপাই ৰাধাৰ মন উন্মনা হৈ পৰে —

"অনুখন মাধৱ মাধৱ সোঙৰইত
সুন্দৰী ভেলি মধাই
ও নিজ ভাৱ স্বভাৱহি বিসৰল
আপনেহি গুণ লুবুধাই ॥"

(ৰাধাৰ বিৰহ)

বিদ্যাপতিৰ প্ৰেম বিষয়ক গীতবোৰৰ মাজত বিৰহৰ পদাৱলীয়ে বিশেষ ঠাই অধিকাৰ কৰি আছে। বিৰহৰ এই গীতবোৰত প্ৰেমৰ নায়ক নায়িকা কৃষ্ণ আৰু ৰাধাৰ (মনৰ আকুতি আৰু কবিৰ অনুভূতিৰ কথা প্ৰকাশ পাইছে। তেওঁৰ বিৰহৰ পদাৱলীত দেহ আৰু তন্ময়তাৰ যি সংমিশ্ৰণ ঘটিছে সি পাঠকৰ অন্তৰ বিস্ময় বিমুগ্ধ কৰি তুলিছে। বিদ্যাপতিৰ বিৰহৰ গীত সমূহৰ নায়ক-নায়িকা হ'ল কৃষ্ণ আৰু ৰাধা। সেয়েহে তেওঁৰ বিৰহৰ গীতত ৰাধা কৃষ্ণৰ বিৰহৰ চিত্ৰ ফুটি উঠাইছে।

ৰাধাই যেতিয়া গম পাইছে যে তেওঁৰ প্ৰিয়তম কৃষ্ণ প্ৰবাসলৈ যাব তেতিয়া তেওঁৰ প্ৰাণে হাহাকাৰ কৰি উঠিছে। মিলন অপূৰ্ব ৰমণীয় ক্ষণবোৰ স্মৰণ কৰি প্ৰেমিকা ৰাধাৰ হিয়া বিদাৰি যাব লাগিছে। ৰাধা কৃষ্ণৰ কুলবধূ হোৱা কাৰণে তেওঁ প্ৰিয়তমৰ প্ৰবাস যাত্ৰাৰ বাধা হ'ব নোৱাৰে। সেয়েহে নিজৰ সখীয়েক জৰিয়তে কৃষ্ণক প্ৰবাসলৈ যোৱাৰ পৰা বাৰণ কৰিবলৈ প্ৰয়াস কৰিছে —

সখী হে বালমজিতক বিদেস,।
হম কুল মাগিনী কহইন অনুচিত
তোহঁ দেখনি উপদেশ ই বনিদেশক বেলি।

কিন্তু ৰাধাৰে বাধা খাওমানি কৃষ্ণ মনে মনে প্ৰবাসলৈ গুচি গৈছে। যোৱাৰ সময়ত প্ৰিয়জনৰ লগত ৰাধাই এষাৰো কথা পাতিব নাপালে। সেয়েহে ৰাধাৰ অন্তৰৰ বেদনা দুগুণ উথলি উঠিছে। কৃষ্ণ অবিহনে গো-কুল শূন্য হৈ পৰিছে। এনেকুৱা পৰিবেশত কৃষ্ণৰ লগত বিবিধ লীলা খেলাৰ কথা স্মৰণ কৰি ৰাধা ম্ৰিয়মান হৈ পৰিছে আৰু তেওঁৰ ম... অশান্ত হৈ উঠিছে। বিদ্যাপতিৰ এটি গীতত এই বৰ্ণনাও অতি সুন্দৰ প্ৰকাশ হৈছে। এনেদৰে কৃষ্ণ বিৰহত বিৰহিনী ৰাধাৰ বিৰহৰ স্বৰূপ বিদ্যা-পতিয়ে তেওঁৰ বিৰহ বিষয়ক গীতবোৰত অতি নিপুনতাৰেহে ধৰিছে। তেওঁৰ বিৰহৰ গীতবোৰত প্ৰেৰ বিবিধতা, ব্যগ্ৰতা, দীনতা, বেদনা-নিবেদন, অনুৰোধ, প্ৰেম সংঘাতৰ ফলত উৎপন্ন হোৱা অনুতাপ, উপালম্ভ, ঐ বিৰলতা, কাৰ্পন্য ইত্যাদিৰ সুক্ষ্মাতিসুক্ষ্ম বৰ্ণনা দেখিবলৈ পোৱা যায়। স্বৰূপাৰ্থত ৰাধাৰ বিৰহ বৰ্ণনত বিদ্যা-পতিয়ে নিজৰ স্বৰূপক উবুৰিয়াই দিছে।

বিদ্যাপতিৰ বিৰহ বৰ্ণনৰ এক লক্ষনীয় বিশেষত্ব হল যে তেওঁৰ বিৰহিনী ৰাধিকা এগৰাকী মৌন সাধিকা। বিৰহৰ বেদনাত ছটফটি কৰি থকা ৰাধাই সৰহ সময় আত্মনিবেদন নকৰে অধিকাংশ পদাবলীত ৰাধাৰ সখীসকলেহে তেওঁৰ দুৰ্দশাৰ কথা বৰ্ণনা কৰিছে।

বিদ্যাপতিয়ে তেওঁৰ বিৰহ বিষয়ক গীতত কৃষ্ণ বিৰহৰ চিত্ৰও ফুটাই তুলিছে। যি কৃষ্ণই ৰাধাৰ মনত বিৰহৰ সৃষ্টি কৰি-ছিল সেই কৃষ্ণ নিজেও বিৰহৰ চিকাৰ হৈ পৰিছে। ৰাধা তেওঁৰ প্ৰিয়া। প্ৰিয়া বিৰহত কৃষ্ণও বিৰহী হৈ ~~পৰিছে~~ উঠিছে।

কৃষ্ণৰ এই বিৰহৰ বৰ্ণনা বিদ্যাপতিয়ে অতি সুন্দৰকৈ দাঙি ধৰিছে। কবিৰ এটি গীতৰ বৰ্ণনা এনে ধৰণৰ —

"হে সুন্দৰী শুনা, তোমাৰ অবিহনে কানু উন্মাদ হৈ পৰিছে, কোনো কাৰণ নোহোৱাকৈয়ে হাঁহে। গদ্‌গদ ভাষাৰে কিবা কয়। আকুল হৈ চিঞৰি "হা ধিক্" বুলি কয়। তেওঁৰ দেহ দুৰ্বল হৈ পৰিছে।"

এনেদৰে কবি বিদ্যাপতিয়ে ৰাধা আৰু কৃষ্ণৰ বিৰহী ৰূপ বৰ্ণনা কৰি তেওঁৰ বিৰহ বিষয়ক গীতবোৰ মনোৰম কৰি তুলিছে। তেওঁৰ এই বিৰহ বিষয়ক গীতবোৰত বিৰহৰ চিত্ৰ অংকনৰ লগে লগে গীতিময়তা আৰু কাব্যিক সৌন্দৰ্য্যও অতি সুন্দৰভাৱে প্ৰকাশ পাইছে।